**অসম বিধান সভা**
**তৰাযুক্ত, প্ৰশ্ন নং -** ৬৮
**বিধায়কৰ নাম:** ডাঃ আছিফ মঃ নাজাৰ
**বিষয়:** বিদ্যালয় সম্পৰ্কে
**উত্তৰ দিয়াৰ তাৰিখ:** ইং ০৯/০৭/২০২৬

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত থকা সৰ্বমুঠ চৰকাৰী প্ৰাথমিক বিদ্যালয়, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কিমান?
(খ) এই বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে ৩০.১ হিচাপত শিক্ষক নোহোৱা বিদ্যালয়ৰ সংখ্যা কিমান?
(গ) ইয়াৰে কিমান সংখ্যক বিদ্যালয়ত কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা আছে?
(ঘ) সকলো বিদ্যালয়তে পৃথক শ্ৰেণীকোঠাৰ ব্যৱস্থা আছে নে? নথকা বিদ্যালয়ৰ সংখ্যা দিব।
(ঙ) বিদ্যালয়সমূহত স্থায়ী প্ৰধান শিক্ষকৰ ব্যৱস্থা আছে নে?

**উত্তৰ:**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ
(ক) UDISE+ 2025-26 তথ্য অনুসৰি অসমত থকা সৰ্বমুঠ চৰকাৰী/প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা-৪৪.১০৩ থন। স্তৰ অনুযায়ী এই সংখ্যা তলত দিয়া ধৰণৰ –

| **স্তৰ** | **চৰকাৰী/ প্ৰাদেশীকৃত বিদ্যালয়** |
|---|---|
| নিম্ন প্ৰাথমিক | ৩৩.২৩২ |
| উচ্চ প্ৰাথমিক | ৬.২৯৯ |
| মাধ্যমিক | ৩.১৮১ |
| উচ্চতৰ মাধ্যমিক | ১.৩৯১ |
| **মুঠ** | **৪৪,১০৩** |

(খ) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে ৩০: ১ হিচাপত শিক্ষক নোহোৱা চৰকাৰী/ প্ৰাদেশীকৃত বিদ্যালয়ৰ সংখ্যা মুঠ ৭.৯৪৮ থন। স্তৰ অনুযায়ী এই সংখ্যা তলত দিয়া ধৰণৰ –

| **স্তৰ** | **চৰকাৰী /প্ৰাদেশীকৃত বিদ্যালয়** |
|---|---|
| নিম্ন প্ৰাথমিক | ৫৩০৩ |
| উচ্চ প্ৰাথমিক | ১২৫৩ |
| মাধ্যমিক | ৮২১ |
| উচ্চতৰ মাধ্যমিক | ৫৭১ |
| **মুঠ** | **৭৯৪৮** |

(গ) সমগ্ৰ শিক্ষা অসমৰ অধীনত ইয়াৰে মুঠ ১,০৮৪. সংখ্যক চৰকাৰী। প্ৰাদেশীকৃত বিদ্যালয়ত কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা চলাই থকা হৈছে।

মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অন্ত:র্গত ড° বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যক্ৰমৰ (Dr. BKCLP) অধিনত ১৩০৪ খন বিদ্যালয়ত কম্পিউটাৰ শিক্ষক নিয়োজিত হৈ আছে। ইয়াৰ উপৰিও সমগ্ৰ শিক্ষা, অসমৰ পৰা পোৱা তথ্য অনুসৰি বৰ্তমান ৮৯৩ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা আছে।

(ঘ) মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অন্ত:র্গত সকলো উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৃথক শ্ৰেণীকোঠাৰ ব্যৱস্থা আছে।

UDISE+ তথ্য অনুসৰি ৫,১২৮ খন বিদ্যালয়ত পৃথক শ্ৰেণীকোঠাৰ ব্যৱস্থা নাই।

ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা কম থকা প্ৰাথমিক বিদ্যালয় সমূহত বৰ্তমান Multi Grade Teaching "বহুস্তৰীয় শিক্ষাদানৰ" ব্যৱস্থা কৰা হৈছে যত দুজন শিক্ষকে ৫ টা শ্ৰেণী (ক শ্ৰেণীৰ বাহিৰে) ছাত্ৰ ছাত্ৰীক এটা কক্ষত একেলগে পাঠদান কৰে।ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা কম হোৱাৰ বাবে, এই পদ্ধতিত অত্যাধিক শ্ৰেণীকোঠাৰ প্ৰয়োজন নহয় আৰু পাঠদানত বিৰূপ প্ৰভাৱ পৰা দেখা নাযায় ।

(ঙ) অসমৰ সমূহ প্ৰাদেশীকৃত আৰু চৰকাৰী, উচ্চ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহত স্থায়ী প্ৰধান শিক্ষক পদৰ ব্যৱস্থা আছে ।

Assam Secondary Education (Provincialised Schools) Service Rule, 2018 ৰ ১৪ নং দফা অনুসৰি অসমৰ প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয়সমূহত অনুমোদিত পদৰ বিপৰীতে স্থায়ী প্ৰধান শিক্ষকৰ পদসমূহ পূৰণ কৰা হয়।

উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত কৰ্মৰত শিক্ষক সকলক জ্যেষ্ঠতাৰ ভিত্তিত তথা জিলাভিত্তিক ROSTER মতে পদোন্নতিৰ দ্বাৰা স্থায়ী প্ৰধান শিক্ষক নিয়োজিত কৰা হয়। ROSTER মতে স্থায়ী প্ৰধান শিক্ষকৰ পদ পূৰণ হোৱা প্ৰক্ৰিয়া সমাপ্ত হোৱা লৈকে উক্ত বিদ্যালয়ৰ যোগ্য জ্যেষ্ঠ শিক্ষক জনক প্ৰধান শিক্ষকৰ দায়িত্ব অস্থায়ীভাৱে পালন কৰিবলৈ দিয়া হয়।

নিম্ন প্ৰাথমিক বিদ্যালয়সমূহতো পৰ্যায়ক্ৰমে প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে আৰু প্ৰধান শিক্ষক নিয়োগ কৰাৰ প্ৰক্ৰিয়া চলি আছে। ইতিমধ্যে 6595 খন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বিপৰীতে প্ৰধান শিক্ষকৰ 6595 খন পদ সৃষ্টিৰ অনুমোদন কৰা হৈছে আৰু এই পদ সমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)